ইণ্ডিয়া ফাউণ্ডেশ্যন ফৰ দি আৰ্টছ (আই.এফ.এ.)ৰ
তৰফৰ পৰা
কলা শিক্ষা কাৰ্যসূচীৰ অধীনত
ভাৰতৰ চৰকাৰী সাহায্যপ্ৰাপ্ত আৰু জনসেৱামূলক বিদ্যালয়ৰ পৰা
কলা-সমন্বিত প্ৰকল্প (আৰ্টছ-ইন্টিগ্ৰেটেড প্ৰজেক্ট)ৰ আহ্বান

আবেদন দাখিলৰ অন্তিম তাৰিখ : **30 নৱেম্বৰ, 2026**

ইণ্ডিয়া ফাউণ্ডেশ্যন ফৰ দা আৰ্টছ চমুকৈ আই.এফ.এ.য়ে ভাৰতৰ নন-মেট্ৰ'পলিটান এলেকাৰ চৰকাৰী সাহায্যপ্ৰাপ্ত আৰু জনসেৱামূলক বিদ্যালয়ত কলা-সমন্বিত প্ৰকল্প ৰূপায়ণ কৰিব বিচাৰিছে। ভাৰতৰ শিক্ষানুষ্ঠানসমূহত শিকন আৰু শিক্ষণ – এই দুয়োটাকে কলা শিক্ষাৰ যোগেদি সবল কৰি তোলাৰ উদ্দেশ্যে এই কাৰ্যসূচী হাতত লোৱা হৈছে।

স্কুলীয়া পাঠদানত যি শিকন শৈলী ব্যৱহাৰ কৰা হয়, তাৰ সৈতে বিভিন্ন কলাৰ সমন্বয় সাধন কৰি শিক্ষাৰ্থীৰ বাবে শিকন এক আনন্দময় আৰু আকৰ্ষণীয় কাৰ্য্যকলাপ কৰি গঢ়ি তোলা - এই উদ্দেশ্য আগত ৰাখি কলা শিক্ষা কাৰ্যসূচী কালি-কালিচু (কন্নড় ভাষাত কালি মানে শিকা আৰু কালিচু মানে শিকোৱা) হাতত লোৱা হৈছে।

সেয়েহে আই.এফ.এ.-য়ে চৰকাৰী সাহায্যপ্ৰাপ্ত আৰু মুনাফা-অনাদায়ী বিদ্যালয়, যিয়ে কলা-সমন্বিত শিক্ষণ শৈলীৰ ভেটি গঢ়িব বিচাৰে আৰু শিক্ষাৰ্থীৰ মাজত উৎসুকতা আৰু সৃষ্টিশীলতা বঢ়োৱাত আগ্ৰহী, তেনে বিদ্যালয়ৰ পৰা প্ৰকল্প প্ৰস্তাৱৰ আহ্বান জনাইছে।

ইয়াৰ পূৰ্বে আই.এফ.এ.-য়ে ৰূপায়ণ কৰা কিছুমান প্ৰকল্পৰ বিষয়ে জানিবলৈ ইয়াত ক্লিক কৰক।

প্ৰকল্পৰ পৰিসৰ**:**
এই প্ৰকল্পত তলত দিয়া এক বা ততোধিক বিষয়বস্তু অন্তৰ্ভুক্ত কৰিব পাৰে:

- শ্ৰেণীকোঠাৰ শিকন-শিক্ষণক স্থানীয় কলা আৰু সাংস্কৃতিক কাৰ্য্য-কলাপৰ সৈতে সংযোজিত কৰা
- সকলো বিষয়ৰ শিকন-শিক্ষণৰ সৈতে কলাৰ সমন্বয় সাধন
- শিক্ষাৰ্থীৰ বাস্তৱ অভিজ্ঞতাক শ্ৰেণীকোঠাৰ শিকন প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত কৰা
- সম্প্ৰদায়টোৰ স্থানীয় শিল্পীৰ সৈতে কাম কৰা আৰু স্থানীয় সমলৰ প্ৰয়োগ

প্ৰকল্পৰ সময়সীমা**:** অতিকমেও এবছৰ আৰু সৰ্বাধিক ডেৰ বছৰ

বাজেট**:** সৰ্বাধিক **4,00,000/-** (চাৰি লাখ) টকালৈ বাজেট কৰিব পাৰে।

কোনে আবেদন কৰিব পাৰে**?**
নন-মেট্ৰ'পলিটান এলেকাৰ চৰকাৰী সাহায্যপ্ৰাপ্ত বা জনসেৱামূলক বিদ্যালয়ে আবেদন কৰিব পাৰে। এনে প্ৰতিষ্ঠানে স্থানীয় ভাষাৰ সৈতে কাম কৰাটো বাধ্যতামূলক আৰু কলা-সংস্কৃতি যে শিকন-শিক্ষণৰ অভিন্ন অংগ, সেয়া প্ৰতিষ্ঠানটোৱে বিশ্বাস কৰিব লাগিব।

অৰ্হতা**:**

- বিদ্যালয়খন ছ'চাইটি ৰেজিষ্ট্ৰেছন এক্ট, 1860 বা ইণ্ডিয়ান ট্ৰাষ্ট এক্ট, 1882ৰ অধীনত পঞ্জীকৃত প্ৰতিষ্ঠানৰ মালিকানাধীন বা তেনে প্ৰতিষ্ঠানৰ দ্বাৰা পৰিচালিত হ'ব লাগিব।
- বিদ্যালয়খন অতিকমেও তিনিবছৰ পূৰণি হ'ব লাগিব।

- বিদ্যালয়খনৰ অতিকমেও দুবছৰৰ অডিটেড ষ্টেটমেণ্ট থাকিব লাগিব।
- বৈধ পাৰ্মানেণ্ট একাউণ্ট নাম্বাৰ (পি.এ.এন.) থাকিব লাগিব।

দাখিলৰ ক্ষেত্ৰত পৰামৰ্শৱলী:

আপুনি ইংৰাজীকে ধৰি যিকোনো ভাৰতীয় ভাষাত আপোনাৰ প্ৰকল্প প্ৰস্তাৱ লিখিব পাৰে। আই.এফ.এ.-য়ে ইংৰাজীৰ উপৰিও আন আন ভাৰতীয় ভাষাৰ প্ৰকল্পৰ প্ৰতি আগ্ৰহী।

আপোনাৰ চূড়ান্ত প্ৰকল্প প্ৰস্তাৱত তলত দিয়াখিনি থাকিব লাগিব:

- প্ৰকল্পৰ শিৰোনাম
- বিদ্যালয়খনৰ মিচন/ভৱিষ্যৎ কৰ্ম-আঁচনি/চমু আভাস
- শিক্ষাৰ্থীৰ সমাজ-সাংস্কৃতিক পটভূমি
- প্ৰস্তাৱিত প্ৰকল্পৰ উদ্দেশ্যাৱলী
- কৰ্মপদ্ধতি আৰু বিশদ কৰ্ম-পৰিকল্পনা
- প্ৰকল্পত কাম কৰিব বিচৰা সমল ব্যক্তিৰ সবিশেষ
- প্ৰকল্পৰ মূল্যায়নৰ প্ৰক্ৰিয়া
- প্ৰকল্পৰ পৰা আশা কৰা ফলাফল
- বাজেটৰ বিশদ বিৱৰণ

প্ৰকল্প প্ৰস্তাৱৰ সৈতে তলত দিয়া নথিবোৰ গাঁথি দিব:

- ন্যাসৰ চুক্তিপত্ৰ/মেম'ৰেণ্ডাম অৱ এচ'ছিয়েচনৰ প্ৰতিলিপি
- বৰ্তমানৰ ন্যাসৰক্ষী/সদস্যৰ তালিকা আৰু পৰিচয়
- 12A/ছ'চাইটি এক্টৰ অধীনত পঞ্জীকৰণৰ প্ৰতিলিপি
- অতিকমেও দুটা বছৰৰ অডিটৰৰ ৰিপ'ৰ্ট/অডিটেড ষ্টেটমেণ্ট
- প্ৰতিষ্ঠানৰ পেন কাৰ্ডৰ প্ৰতিলিপি
- পূৰ্বতে কৰা বা বৰ্তমানে চলি থকা কলা শিক্ষা কাৰ্যসূচীৰ সবিশেষ, যদিহে কৰিছে

চূড়ান্ত প্ৰকল্প আমালৈ পঠিওৱাৰ পূৰ্বে আপোনাৰ বিদ্যালয়খনে যদি প্ৰকল্পৰ কিবা ধাৰণা সম্পৰ্কে আমাৰ সৈতে আলোচনা কৰিব বিচাৰে বা আহ্বান জনোৱা প্ৰকল্প প্ৰস্তাৱ সম্পৰ্কে কিবা সুধিবলগীয়া আছে, তেন্তে deepak@indiaifa.org মেইল ঠিকনাত 31 অক্টোবৰ, 2026ৰ পূৰ্বে লিখি পঠিয়াওক বা 9739175525 নম্বৰত (পুৱা ১০ বজাৰ পৰা আবেলি ৫ বজাৰ ভিতৰত) কল কৰক।

আটাইবোৰ লাগতিয়াল নথিসহ চূড়ান্ত প্ৰকল্প প্ৰস্তাৱ 30 নৱেম্বৰ, 2026ৰ ভিতৰত এটা মেইলৰ ভিতৰতে আটাইখিনি সামৰি deepak@indiaifa.org-লৈ মেইল কৰক। মেইলৰ চাইজ ২৫ এমবি-ৰ বেছি হ'ব নালাগিব।

মন কৰিব যে অসম্পূৰ্ণ প্ৰস্তাৱ আৰু অৰ্হতাৰ মাপকাঠীৰ ভিতৰত নপৰা প্ৰাৰ্থীৰ প্ৰস্তাৱ গ্ৰহণ কৰা নহ'ব।

বাচনি প্ৰক্ৰিয়া: বিবেচিত প্ৰস্তাৱসমূহ বাহ্যিক পেনেলে মূল্যায়ন কৰিব। আবেদনকাৰীয়ে পেনেলৰ সন্মুখত নিজৰ প্ৰকল্পৰ ধাৰণা উপস্থাপন কৰিব লাগিব। প্ৰকল্প প্ৰস্তাৱ বাচনিৰ ক্ষেত্ৰত আই.এফ.এ.-ৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব। নিৰ্বাচিত সকলো প্ৰকল্প আই.এফ.এ.-য়ে ৰূপায়ণ কৰিব।

গুৰুত্বপূৰ্ণ তাৰিখসমূহ:

- খচৰা প্ৰকল্প প্ৰস্তাৱ (draft proposal) দাখিল আৰু প্ৰস্তাৱ সম্পৰ্কীয় মন্তব্য কৰা বা প্ৰশ্ন উত্থাপন কৰা অথবা সন্দেহ দূৰ কৰাৰ অন্তিম তাৰিখ: **31 অক্টোবৰ, 2026**
- চুড়ান্ত প্ৰকল্প প্ৰস্তাৱ দাখিলৰ তাৰিখ: **30 নৱেম্বৰ, 2026**
- ৰূপায়ণৰ বাবে নিৰ্বাচিত প্ৰকল্প প্ৰস্তাৱৰ তালিকা **2027**ৰ জানুৱাৰীত ঘোষণা কৰা হ'ব।

***অনুগ্ৰহ কৰি মন কৰিব যে শিশুকে ধৰি যুৱচামে সমান সমৰ্থন, সন্মান আৰু সুৰক্ষা লাভ কৰিব পৰা এক নিৰাপদ পৰিৱেশ গঢ়ি তোলাৰ প্ৰতি আই.এফ.এ. সদায়েই অংগীকাৰবদ্ধ। আবেদনকাৰীয়ে এই দিশসমূহৰ প্ৰতি সততে লক্ষ্য ৰাখিব লাগিব আৰু তেনে দৃষ্টিভংগী অক্ষুণ্ণ ৰাখিব লাগিব।***